## জাননী

তাং-০৬-০৯-২০২১

ইয়াৰ দ্বাৰাই চিলাপথাৰ টাউন মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্যত ১ম যান্মাসিকত নামভৰ্তিৰ বাবে আবেদন কৰা ছাত্ৰ-ছাত্ৰীসকলক জনোৱা যায় যে ইতিমধ্যে চৰকাৰে বিনামূলীয়া নামভৰ্তিৰ নিৰ্দেশনা জাৰি কৰিছে। উক্ত নিৰ্দেশনাৰ মতে বিনামূলীয়া নামভৰ্তিৰ বাবে নিম্নোক্ত চৰ্ত সমূহ ধাৰ্য্য কৰিছে।

১। ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলৰ কোনোৱেই যিকোনো চৰকাৰী বা অৰ্ধ-চৰকাৰী চাকৰিত মকৰল হব নালাগিব।

২। ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলৰ কোনোৱেই যিকোনো চৰকাৰী বা অৰ্ধ-চৰকাৰী চাকৰিত মকৰল নাই বুলি স্ব-স্বাক্ষৰিত এক ঘোষনা-পত্ৰ জমা দিব লাগিব। এই ঘোষনা-পত্ৰ থনৰ প্ৰ-পত্ৰ মহাবিদ্যালয়ে যোগান ধৰিব।

৩। ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলৰ বছেৰেকীয়া আয় দুই লাখৰ ওপৰত হব নালাগিব।

৩।ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকসকলৰ বছেৰেকীয়া আয়ৰ প্ৰমান-পত্ৰ স্থানীয় চক্ৰ-বিষয়াৰ কাৰ্য্যালয়ৰ পৰা সংগ্ৰহ কৰি মহাবিদ্যালয়ত জমা দিব লাগিব।

৪।ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ঘৰৰ চৌহদৰ উপযুক্ত স্থানত গছপুলি এডাল ৰোপন কৰিব লাগিব আৰু ৰুই থকা এক ছবি মহাবিদ্যালয়ত জমা কৰিব লাগিব। ৰোপন কৰা এই গছপুলিডাল আপদাল কৰি ডাঙৰ কৰিব লাগিব আৰু অহাবৰ্ষৰ পৰবৰ্তী শ্ৰেণীত নামভৰ্তিৰ সময়ত এই পুলিডালৰ ছবি জমা কৰিব লাগিব।

৫।মহাবিদ্যালয়ে নিজস্বভাবে সংগ্ৰহ কৰা মহাবিদ্যালয় আলোচনী মাচুল, ক্ৰীড়া ও মহাবিদ্যালয় সপ্তাহৰ মাচুল বিনামূলীয়া নামভৰ্তিত অন্তৰভূক্ত নহব আৰু এই মাচুল সমূহ ছাত্ৰ-ছাত্ৰীসকলে নিজাববীয়াকৈ দিব লাগিব।

উক্ত চৰ্তসমূহ পূৰণ কৰি বিনামূলীয়া নামভৰ্তিৰ বাবে পৰবৰ্তী সময়ত মহাবিদ্যালয়ৰ কাৰ্য্যালয়ত যোগাযোগ কৰিবলৈ জনোৱা হল।

বিঃদ্রঃ-মহাবিদ্যালয়ৰ আলোচনী মাচুল, ক্ৰীড়া ও মহাবিদ্যালয় সপ্তাহৰ মাচুল আৰুবিনামূলীয়া নামভৰ্তিৰ সুবিধাৰ পৰা বঞ্চিতসকলৰ বাবে নামভৰ্তিৰ মাচুল পৰবৰ্তী সময়ত প্ৰকাশ কৰা হব।

ইতি

ড. দিব্য দলে
ভাঃ অধ্যক্ষ
চিলাপথাৰ টাউন মহাবিদ্যালয়
চিলাপথাৰ

Principal i/c
Silapathar Town College
Date....6/9/21